**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-09-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

## Headlines

কেন্দ্ৰীয় চৰকাৰে পৰৱৰ্তী ৫ বছৰত চাইবাৰ অপৰাধ ৰোধ কৰাৰ বাবে ৫ হাজাৰ চাইবাৰ কমাণ্ডোক প্ৰশিক্ষণ প্ৰদান কৰিব। আজি নতুন দিল্লীত চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰ আই ফ'ৰ চিৰ প্ৰথম প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, চাইবাৰ সুৰক্ষা ৰাষ্ট্ৰীয় সুৰক্ষাৰ দিশত বৃহৎ প্ৰত্যাহ্বানৰূপে পৰিগণিত হৈছে আৰু ইয়াৰ অবিহনে দেশৰ প্ৰগতিৰ কথা কল্পনা কৰিব নোৱাৰি। শ্ৰী শ্বাহে কয় যে, চাইবাৰ অপৰাধৰ কোনো সীমা নাই আৰু ইয়াক ৰোধ কৰাৰ বাবে সকলো পক্ষৰ সহায়-সহযোগিতাৰ প্ৰয়োজন। দেশৰ বিভিন্ন ক্ষেত্ৰত ইণ্টাৰনেট সেৱাৰ বৰ্ধিত ব্যৱহাৰৰ বিষয়ে আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰতিদিনে দেশত ডিজিটেল লেনদেন আৰু ডিজিটেল তথ্যৰ ব্যৱহাৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত চাইবাৰ সুৰক্ষাৰ সৈতে জড়িত লোকসকলৰ দায়িত্বও বৃদ্ধি পাইছে। শেহতীয়াকৈ কাৰ্যকৰী হোৱা ৩ খন নতুন ফৌজদাৰী আইনত চাইবাৰ অপৰাধৰ প্ৰত্যাহ্বান ৰোধ কৰাৰ বাবে পৰ্যাপ্ত ব্যৱস্থা ৰখা হৈছে বুলি তেওঁ উল্লেখ কৰে। চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰই চাইবাৰ সুৰক্ষা সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে ৰাষ্ট্ৰজোৰা অভিযান আৰম্ভ কৰাৰ লগতে সকলো ৰাজ্য চৰকাৰক এই অভিযানত অংশ ল'বলৈ আহ্বান জনাইছে। আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে চাইবাৰ অপৰাধ ৰোধ কৰাৰ বাবে এটা ৱেব আধাৰিত ম'ডুল মুকলি কৰে। ইয়াৰ সহায়ত চাইবাৰ অপৰাধৰ তথ্য সংগ্ৰহ, বিনিময়, অপৰাধৰ মেপিং, তথ্য বিশ্লেষণ ইত্যাদি কৰিব পৰা যাব।

০০০০০০০

ৰাজ্য চৰকাৰে বিগত ৩ বছৰত জাতি-মাটি-ভেটি ৰক্ষাৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে আৰু ভূমি, সম্পদ তথা সংস্কৃতি সুৰক্ষিত নোহোৱালৈকে এই প্ৰচেষ্টা অব্যাহত ৰাখিব। এনে প্ৰচেষ্টাৰ অংশ হিচাপে চৰকাৰে অসম চুক্তিৰ ৬ নম্বৰ দফা সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগে আগবঢ়োৱা পৰামৰ্শাৱলী ৰূপায়ণৰ  ব্যৱস্থা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, ৰাজ্যখনত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ বাবে আবেদন জনোৱাসকলৰ নামত আধাৰ কাৰ্ড জাৰি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰি থলুৱা সম্প্ৰদায়সমূহৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে ৰাজ্যত জনজাতীয় বেষ্টনী আৰু খণ্ড গঠন কৰাৰ বাবে বিশেষ বিধেয়ক যুগুতোৱাৰ ব্যৱস্থা কৰা হৈছে। কঠোৰ শাস্তিৰ জৰিয়তে লাভ জেহাদ সমস্যাৰ সন্মুখীন হোৱাৰ বাবেও এখন বিধেয়ক যুগুত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০০০০০

ৰাজ্যৰ প্ৰত্যক্ষ নিযুক্তি আয়োগৰ অধীনত অহা ১৫ ছেপ্তেম্বৰৰ পৰা হ'বলগীয়া তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। নিযুক্তি পৰীক্ষাৰ বাবে কাৰ্বি আংলং জিলাৰ ডিফুত জিলা দুৰ্যোগ প্ৰাধীকৰণ কাৰ্যালয়ত জিলা নিয়ন্ত্ৰণ কক্ষ্য স্থাপন কৰা হৈছে। পৰীক্ষাত নিয়োজিত ব্যক্তিসকলকো প্ৰশিক্ষণ দি থকা হৈছে।

একেদৰে নিযুক্তি পৰীক্ষাসমূহ স্বচ্ছ, নিকা আৰু ত্ৰুটিবিহীন ভাবে অনুষ্ঠিত কৰিবলৈ চৰাইদেউ জিলা প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনত হ'বলগীয়া নিযুক্তি পৰীক্ষা প্ৰক্ৰিয়াৰ তদাৰক তথা নিৰীক্ষণ কৰাৰ বাবে ৰাজ্য চৰকাৰে সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ সচিব ফৰিদা চামছুলক কেন্দ্ৰীয় পৰ্যৱেক্ষক হিচাপে নিয়োজিত কৰা হৈছে।

oooooooo

অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ হৈ অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদে আজিৰে পৰা দুদিনীয়াকৈ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ ৰাজ্যিক সমাৰোহৰ আয়োজন কৰিছে। এই সমাৰোহে ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান অধ্যয়নৰ প্ৰতি আগ্ৰহ জন্মোৱাৰ লগতে উদ্ভাৱনীমূলক চিন্তাৰ বিকাশ তথা শিক্ষাৰ্থীসকলক নতুন জ্ঞান আৰু অভিজ্ঞতাৰে সমৃদ্ধ কৰিব বুলি শিক্ষা মন্ত্ৰী ডা০ ৰণোজ পেগুৱে আহ্বান জনাইছে। এই কাৰ্যসূচী ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী কেশৱ মহন্তই উদ্বোধন কৰে। সমাৰোহৰ কাৰ্যসূচীৰ অংশ হিচাপে বিজ্ঞানভিত্তিক আকস্মিক বক্তৃতা প্ৰতিযোগিতা, পোষ্টাৰ অংকন, বিজ্ঞান প্ৰযুক্তিৰ আৰ্হি নিৰ্মাণ প্ৰতিযোগিতা আৰু প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। তদুপৰি বিজ্ঞানী আৰু শিক্ষাৰ্থীৰ মাজত মত বিনিময়, মহাকাশ নিৰীক্ষণ আদিও কাৰ্যসূচীও গ্ৰহণ কৰা হয়।

oooooooo

ৰাজ্য চৰকাৰৰ জনকল্যাণকামী আঁচনি আৰু অভিলাসী প্ৰকল্পসমূহৰ ৰূপায়ণৰ গতি ত্বৰান্বিত কৰাৰ লক্ষ্যৰে কৃষি মন্ত্ৰী অতুল বৰাই আজি হাইলাকান্দিৰ জিলা আয়ুক্ত কাৰ্যালয়ত চৰকাৰী বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকখনত তেওঁ  শিক্ষা, স্বাস্থ্য, কৃষি, লোক নিৰ্মাণকে ধৰি জিলাখনৰ ৩৪টা চৰকাৰী বিভাগৰ অধীনস্থ আঁচনিসমূহৰ ৰূপায়ণৰ স্থিতিৰ পৰ্যালোচনা কৰে। লগতে বিভিন্ন সজাগতামূলক কাৰ্যসূচীৰে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহৰ সুবিধাৰ বিষয়ে ৰাইজক অৱগত কৰি নিৰ্ধাৰিত সময়-সীমাৰ ভিতৰ আঁচনিসমূহ ৰূপায়ণ কৰিবলৈ তেওঁ বিষয়াসকলক নিৰ্দেশ দিয়ে।

oooooooo

**সমাপ্ত**